THE HUNGER PROJECT

# অ' আমাৰ গাঁও

প্ৰথম বছৰ | দ্বিতীয় সংখ্যা | জুলাই-চেপ্তেম্বৰ, ২০০৮




ড° ৰামদত্ত বুজৰবৰুৱা পৌঢ় নিবাসত আয়োজিত লিডাৰচিপ ডেভেলপমেন্ট প্ৰগ্ৰেমত অংশ গ্ৰহণ কৰা পঞ্চায়তৰ নিৰ্বাচিত মহিলা প্ৰতিনিধি সকলৰ একাংশ।




লিডাৰচিপ্ ডেভেলপমেন্ট প্ৰগ্ৰেমৰ প্ৰশিক্ষণৰ এটি মুহূৰ্ত



কমলপুৰ ব্লকৰ আয়োজিত Followup Ledership Development Programme ত অংশ গ্ৰহণ কৰা মহিলা প্ৰতিনিধিসকলৰ এটি দৃশ্য।



এজনে এজনৰ পিঠিত পৰস্পৰে পৰস্পৰৰ দোষ-গুণ লিখা প্ৰশিক্ষণৰ এটি অন্যতম কাৰ্যসূচী




পঞ্চায়ত সম্পৰ্কে কিছু তথ্য দাঙি ধৰাৰ মুহূৰ্তত বৰভাগ মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ প্ৰবক্তা শ্ৰীযুত ধনেশ্বৰ বৈশ্য



নাটকৰ মাধ্যমেৰেও পঞ্চায়ত, বিভিন্ন আঁচনি ইত্যাদিৰ বিষয়ে মহিলা প্ৰতিনিধিসকলক জনাবলৈ প্ৰয়াস কৰা হয়।



গণতান্ত্ৰিক দেশ ভাৰতবৰ্ষত পঞ্চায়তৰ প্ৰতিনিধিসকলক জনসাধাৰণে ভোটৰ জৰিয়তে নিৰ্বাচিত কৰে। যোৱা পঞ্চায়ত নিৰ্বাচনৰ ভোট দানৰ দিনৰ এটি মুহূৰ্ত



নিজৰ প্ৰতিনিধি নিৰ্বাচিত কৰাৰ বাবে আগ্ৰহেৰে ভোট দানৰ বাবে শাৰী পাতিছে একাংশ মহিলাই।



খেল-ধেমালি প্ৰশিক্ষণৰ এটি অন্যতম কাৰ্যসূচী তাৰেই এটি মুহূৰ্ত


## ৰমলাবাৰ খবৰ




## অসমৰ গ্ৰামীণ মহিলাৰ সামাজিক প্ৰগতি

সুদূৰ অতীত কালৰ পৰাই মহিলা সমাজে ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় বিভিন্ন দিশত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। এখন ৰাষ্ট্ৰই উন্নয়নৰ দিশত কিমান দূৰ অগ্ৰসৰ হৈছে তাক জানিবৰ বাবে নাৰীসকলৰ শিক্ষা-দীক্ষা, সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক মৰ্যদাৰ ওপৰত গুৰুত্ব আৰোপ কৰা উচিত। নাৰী সমাজৰ প্ৰগতি অবিহনে যিকোনো দেশৰে জ্ঞান-বিজ্ঞান, সভ্যতা-সংস্কৃতি, ধৰ্ম, দৰ্শন, শিল্প-সাহিত্য আদি সকলোবোৰেই অৰ্থহীন স্বৰূপ হৈ পৰে। সেই বাবেই, এসময়ৰ বিখ্যাত সাম্যবাদী নেতা লেনিনে মন্তব্য কৰিছিল— "নাৰীসকলৰ কাৰণে পূৰ্ণ স্বাধীনতা আনিব নোৱাৰালৈকে, প্ৰলেতাৰিয়েটে কেতিয়াও নিজৰ পূৰ্ণ স্বাধীনতা অৰ্জন কৰিব নোৱাৰে।" আমাৰ দেশৰ স্বাধীনতা আন্দোলনৰ নেতা সকলেও এই কথাটো উপলব্ধি কৰিছিল যে- নাৰী মুক্তি অবিহনে দেশৰ স্বাধীনতা অৰ্থহীন? জাতিৰ পিতা মহাত্মা গান্ধী, পণ্ডিত জৱহৰলাল নেহৰু, ৰাজাৰামমোহন ৰায় আদি নেতা সকলেও পুৰুষ-মহিলাৰ মাজত থকা বৈষম্য সদায়ে অৱসান হোৱাটো বিচাৰিছিল। (শেষাংশ ৪ নং পৃষ্ঠাত)

সিপিচিত



# অসমৰ গ্ৰামীণ মহিলাৰ সামাজিক প্ৰগতি

—নীৰেন মালাকৰ
**প্ৰৱক্তা, বৰভাগ মহাবিদ্যালয়, কালাগ, নলবাৰী**

*(প্ৰথম পৃষ্ঠাৰ পৰা)* সু-দূৰ অতীত কালৰ পৰাই মহিলা সমাজে ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় জীৱনৰ বিভিন্ন দিশত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। এখন ৰাষ্ট্ৰই উন্নয়নৰ দিশত কিমান দূৰ অগ্ৰসৰ হৈছে, তাক জানিবৰ বাবে নাৰীসকলৰ শিক্ষা-দীক্ষা সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক মৰ্যদাৰ ওপৰত গুৰুত্ব আৰোপ কৰা উচিত। নাৰী সমাজৰ প্ৰগতি অবিহনে যি কোনো দেশৰে জ্ঞান-বিজ্ঞান, সভ্যতা-সংস্কৃতি, ধৰ্ম,দৰ্শন, শিল্প-সাহিত্য আদি সকলোবোৰেই অৰ্থহীন স্বৰূপ হৈ পৰে। সেই বাবেই; এসময়ৰ বিখ্যাত সাম্যবাদী নেতা লেনিনে মন্তব্য কৰিছিল—"নাৰীসকলৰ কাৰণে পূৰ্ণ স্বাধীনতা আনিব নোৱাৰালৈকে, প্ৰলেতাৰিয়েটে কেতিয়াও নিজৰ পূৰ্ণ স্বাধীনতা অৰ্জন কৰিব নোৱাৰে।" আমাৰ দেশৰ স্বাধীনতা আন্দোলনৰ নেতা সকলেও এই কথাটো উপলব্ধি কৰিছিল যে—"নাৰীমুক্তি অবিহনে দেশৰ স্বাধীনতা অৰ্থহীন।" জাতিৰ পিতা মহাত্মা গান্ধী, পণ্ডিত জৱহাৰলাল নেহৰু ৰাজাৰামমোহন ৰায় আদি নেতা সকলেও পুৰুষ-মহিলাৰ মাজত থকা বৈষম্য সদায়ে অৱসান হোৱাটো বিচাৰিছিল।

আমাৰ দেশৰ স্বাধীনতা আন্দোলনতো মহিলা সমাজে সক্ৰিয়ভাৱে জড়িত হৈ থকা দেখিবলৈ পাওঁ। সম্প্ৰতি, গোকীকৰণৰ যুগত শিক্ষাৰ সম্প্ৰসাৰণ আৰু যাতায়ত আৰু যোগাযোগ ব্যৱস্থাৰ দ্ৰুত উন্নতিয়ে মহিলা সকলৰ মৰ্যাদা যথেষ্ট উন্নত কৰি তুলিছে। কিন্তু স্বাধীন ভাৰতৰ আগৰ সমাজ ব্যৱস্থাত মহিলা সকলক বিভিন্ন সামাজিক প্ৰথা আৰু কু-সংস্কাৰে নিৰ্দ্দিষ্ট পৰিসীমাৰ মাজতে আবদ্ধ কৰি ৰাখিছিল।

সেই সময়ত চলিত সামাজিক প্ৰথা সমূহৰ ভিতৰত উল্লেখযোগ্য আছিল—

জাতি-ভেদ প্ৰথা, বাল্য-বিবাহ, সতীদাহ প্ৰথা, যৌতুক প্ৰথা,দাসী, কন্যা-শিশু হত্যা প্ৰথা, পৰ্দা-প্ৰথা, বিধবা বিবাহৰ বিৰুদ্ধাচাৰণ কৰা, ডাইনী হত্যা ইত্যাদি। এই প্ৰথাসমূহে মহিলা সকলক শিক্ষানুষ্ঠান বা ধৰ্মানুষ্ঠানত প্ৰবেশ কৰিবলৈ অনুমতি দিয়া নাছিল। এই বিলাকে ভাৰতীয় মহিলাৰ সামাজিক প্ৰগতিত বাধাৰ সৃষ্টি কৰিছিল।

অৱশ্যে, ভাৰতবৰ্ষৰ অন্য প্ৰান্তৰ ৰাজ্যৰ তুলনাত অসমত; অসমীয়া মহিলাৰ এক স্বাকীয় স্থান আছিল। বাল্য-বিবাহ, সতীদাহ প্ৰথা, পৰ্দা প্ৰথাৰ বহুল প্ৰচলন অসমত নাছিল। কিন্তু কিছুমান মঠ-মন্দিৰত দেৱদাসী নৃত্যৰ প্ৰচলন আছিল। অসমীয়া নাৰীৰ ৰূপ লাৱণ্য, ব্যক্তি স্বতন্ত্ৰতা, কাৰ্য্য দক্ষতা আদিত বহুগুণে আগবঢ়া। অসমীয়া মহিলাৰ মৰ্যাদা আজিও উন্নত। বঙালী স্ব-নাম ধন্য সাহিত্যিক বুদ্ধদেৱ বসু আৰু শঙ্কৰে অসমীয়া গাভৰুৰ ৰূপ আৰু গুণৰ ভূয়সী প্ৰশংসা কৰিছে। আনকি জাতিৰ পিতা মহামানৱ মহাত্মা গান্ধীয়েও—'অসমীয়া মহিলাই কাপোৰত সপোন ৰচনা কৰিব পাৰে' বুলি উল্লেখ কৰি গৈছে। কিন্তু আমাৰ অসমৰ জাতীয় জীৱনত মহিলাসকলৰ ভূমিকা বিশেষ উৎসাহজনক নহয়। কিয়নো সামাজিক কাম-কাজ বিলাকত এতিয়াও মহিলা সকলে বিশেষ তৎপৰতা দেখুওৱাব সক্ষম হোৱা নাই। চহৰ অঞ্চলৰ মহিলা সকল বুলিয়েই নহয়; গ্ৰামীন মহিলা সকলেও এতিয়া বেছিভাগ সময়ত নিষ্ক্ৰিয় হৈ থাকিহে ভাল পায়।

আজি অসমৰ সংখ্যাগৰিষ্ঠ লোকেই গ্ৰাম্য অঞ্চলৰ। বিশেষকৈ গ্ৰাম্য অঞ্চলৰ মহিলাসকল উপাযুক্ত শিক্ষাৰ অভাৱৰ বাবে নানান সমস্যাৰ সন্মুখীন হৈ আহিব লগা হৈছে। বেছিভাগ মহিলাই ৰাজনৈতিকভাৱে সচেতন নোহোৱা বাবে, তেওঁলোকে শোষন আৰু বৈষম্যৰ বলি হ'ব লগা হৈছে। পাকঘৰৰ চাৰি-বেৰৰ মাজতে আবদ্ধ কৰি নিজৰ জীৱনটোক আনৰ হৈ উছৰ্গা কৰি কিছুমান অসমৰ গ্ৰামীণ মহিলাই এতিয়াও আত্ম-তৃপ্তিলাভ কৰে। ৰাজনীতি, সমাজনীতি, শিক্ষা আদিবোৰ এই সকল মহিলাৰ বাবে অস্পৃশ্য বস্তু। গতিকে অসমীয়া মহিলাৰ সামাজিক প্ৰগতিএতিয়াও সম্পূৰ্ণহোৱা নাই। এতিয়াৰ পৰাইহে বিকাশৰ পৰ্যায় আৰম্ভ হৈছে।

এইখিনিতে, এটা সৰু উদাহৰণ দিও— অসমৰ বেছিভাগ গাঁৱৰ পৰিয়ালত; ঘৰতে হওঁক বা নাচিং-হোম অথবা চৰকাৰী চিকিৎসালয়তে হওঁক নৱজাতক যদি ল'ৰা সন্তান হয় তেন্তে পৰিয়াল আৰু সমাজত আনন্দৰ সীমা নেথাকে। চাহ-মিঠাই অপ্যায়ন কৰে গৃহস্থই। কিন্তু সেই পৰিয়ালটোত যদি নৱজাতক ছোৱালী সন্তান হয় তেন্তে গৃহস্থৰ মুখত হাঁহিৰ পৰিবৰ্ত্তে গোমোঠা মুখহে দেখিবলৈ পোৱা যায়। ইয়াৰ পৰা অনুমান কৰিব পাৰি যে আমাৰ মানসিকতা এতিয়াও ৰক্ষণশীল হৈয়ে আছে। সামাজিক প্ৰগতিৰ নামত আমি যিমানেই বক্তৃতা নিদিও কিয়, আমি যদি সংস্কাৰবাদী হ'ব নোৱাৰো তেন্তে সময়ে আমাক আগুৱাই যাবলৈ কেতিয়াও নিদিয়ে। ৰাজনীতি বিজ্ঞানৰ ছাত্ৰ বা ছাত্ৰী এজনীয়ে নিশ্চয় ভালকৈয়ে প্লেটোৰ কথা জানে। প্লেটোৱে আদৰ্শ ৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰিবলৈ বিচৰাৰ আগতে মানুহৰ মনটোহে সংস্কাৰ কৰাৰ ওপৰতহে গুৰুত্ব দিছিল।

অসমত বৰ্ত্তমান কিছুমান ধৰ্মানুষ্ঠানত (মন্দিৰ, মচ্জিদ) নাৰীৰ প্ৰবেশ নিষেধ কৰা হৈছে। কিয় বাৰু এই নিষেধ জাৰি কৰা হৈছে? মহিলা সকলে অসমৰ গ্ৰামীণ জীৱনত এক সুকীয়া স্থান দখল কৰি লৈছে যদিও তেওঁলোকৰ দুখ-দুৰ্দশা, অভাৱ-অনাটন আদিবোৰ এতিয়াও অন্ত পৰা নাই। এইবোৰৰ উদাহৰণ বিচাৰি গ'লে— অসমীয়া সমাজত প্ৰচলন থকা ডাকৰ বচন, বিয়া-নাম আৰু কিছুমান ধৰ্মগ্ৰন্থৰ কথা উল্লেখ কৰা সমীচিন হ'ব। অৱশ্যে, অসমীয়া জাতিৰ গুৰু শ্ৰীমন্ত শঙ্কৰদেৱে অসমীয়া গ্ৰামীণ মহিলাৰ দৰিদ্ৰতা আৰু নিৰক্ষতাৰ অৱসান ঘটাবৰ বাবে বিভিন্ন কৌশলৰ কথা উল্লেখ কৰিছে। শঙ্কৰদেৱে এক শৰণ বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ দ্বাৰা পুৰুষ মহিলাৰ মাজত সমতা প্ৰতিষ্ঠাৰ কথা দোহাৰিছে। অসমৰ মহিলা সকল ভাৰতবৰ্ষৰ আন কিছুমান ৰাজ্য যেনে পাঞ্জাৱ, হাৰিয়ানা, ৰাজস্থান আদি ৰাজ্যৰ মহিলাৰ দৰে লিংগ বৈষম্যৰ বলি হোৱা নাই। এই কথাও অসমীয়া সাহিত্যত স্পষ্টভাৱে প্ৰতিফলিত হৈছে। অসমত অন্য ৰাজ্যৰ দৰেই যৌতুকৰ বহুল প্ৰচলন হোৱা নাই।

ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনা আৰু মৌলিক অধিকাৰত উল্লেখিত ব্যৱস্থা সমূহে অসম বুলিয়ে নহয় সমগ্ৰ ভাৰতবৰ্ষতে গ্ৰামীণ আৰু চহৰ অঞ্চলৰ মহিলাৰ সামাজিক প্ৰগতি প্ৰতিষ্ঠা হৈছে বুলিয়ে ঘোষণা কৰিছে। বিশেষকৈ ৭৩ তম্ আৰু ৭৪ তম্ সংবিধান সংশোধনী ব্যৱস্থাই মহিলা সৱলীকৰণত এক গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰা দেখা গৈছে। আগৰ তুলনাত এতিয়া অসমৰ গ্ৰাম্য অঞ্চলত মহিলাৰ শিক্ষাৰ হাৰো দ্ৰুত গতিত বৃদ্ধি পাইছে। আনহাতে পঞ্চবাৰ্ষিক পৰিকল্পনা সমূহেও মহিলাৰ বিকাশৰ বাবে এক বুজন পৰিমানৰ ধন ব্যয় কৰিছে। চৰকাৰে ৰূপায়ন কৰা আঁচনি সমূহ ৰূপায়ন হ'লে অসমৰ গ্ৰামীণ মহিলা সকলে যথেষ্ট সকাহ পালেহেঁতেন। অসমৰ অনুসূচীত জাতি তথা জন-জাতি সমূহৰ মহিলা সমাজৰ অৱস্থা, অৱশ্যে সন্তোষজনক নহয়। বিভিন্ন ক্ষেত্ৰত অসমৰ অনুসূচীত জাতি তথা জনজাতি সম্প্ৰদায়ৰ মহিলা সকলে ৰাজনৈতিক শোষণৰ বলি হ'ব লগা হৈছে। ই বৰ পৰিতাপৰ কথা। এই সম্প্ৰদায়ৰ মহিলাসকলৰ আৰ্থিক আৰু বৌদ্ধিক বিকাশ অবিহনে তেওঁলোকৰ প্ৰগতি সম্ভৱ নহয়।

ইং ১৯৭৫ চনত ৰাষ্ট্ৰসংঘই মহিলা সকলক ৰাষ্ট্ৰই প্ৰগতিত সক্ৰিয় ভূমিকাৰ কথা বিবেচনা কৰি সেই বছৰটোক 'আন্তজাৰ্তিক মহিলা বৰ্ষ' হিচাপে উদযাপন কৰিছিল। ঠিক সেইদৰে, ভাৰত চৰকাৰেও মহিলা সকলক সৱলীকৰণ কৰিবৰ বাবে ইং ২০০৩ চনটো 'মহিলা বৰ্ষ' হিচাপে পালন কৰিছে। অসমৰ গ্ৰামীণ মহিলাসকল এতিয়া ৰাজনৈতিকভাৱে আগতকৈ যথেষ্ট সচেতন হৈ পৰিছে। তেওঁলোকে এতিয়া গাঁও সমূহত বিভিন্ন মহিলা আত্ম-সহায়ক গোট খুলি কৰ্ম সংস্থাপনৰ সুবিধা কৰি লৈছে। ইয়াৰ উপৰিও বে-চৰকাৰী পৰ্যায়ৰ সংস্থা সমূহেও এতিয়া গ্ৰামীণ মহিলাৰ অৰ্থ-সামাজিক উন্নয়নত গুৰুত্ব প্ৰদান কৰিছে। চৰকাৰেও আনকি গাওঁ পঞ্চায়তৰ নিৰ্ব্বাচন সমূহত মহিলাৰ সক্ৰিয় অংশ গ্ৰহণৰ বাবে ৩০% আসন মহিলাৰ বাবে সংৰক্ষণ কৰিছে। অসমীয়া মহিলাই আজি লাহে লাহে উন্নতিৰ পথত খোজ দিবলৈ লৈছে। সম্প্ৰতি অসমৰ মহিলা সাহিত্যিক, মহিলা ৰাজনীতিবিদ, মহিলা সমাজসেৱিকাই আজি ভাৰতৰ্ষৰ বিভিন্ন প্ৰান্তত নিজৰ নাম জিলিকাই ৰাখিছে। ই অতি গৌৰৱৰ বিষয়। অসমৰ গ্ৰামীণ মহিলা সকলেও বুকুত সাহস আৰু ধৈৰ্য্য হাতত লৈ নিজৰ নিজৰ ক্ষেত্ৰত আগবাঢ়ি; নিজৰ প্ৰতিটো বিকাশ কৰক তাকে কামনা কৰিলোঁ। জয় হিন্দ।। ■

# পঞ্চায়তলৈ কিদৰে আহিলো এক চমু অৱলোকন

—ক্ষীৰোদা হালৈ

সমাজ সংস্কাৰত নাৰী সমাজৰ বিশেষ ভূমিকা আছে, যিটো কথাই মোক বিশেষভাবে টানি লৈ গৈছিল মানুহৰ মাজলৈ। নাৰী সমাজৰ প্ৰতি থকা দায়বদ্ধতাই মোক কিছু পৰিমানে সমাজৰ প্ৰতি কাম কৰাৰ অনুপ্ৰেৰণা যোগাইছিল। খেলৰ মাধ্যমেৰে মই দহজনৰ লগত পৰিচিত হৈ সামাজিক সম্পৰ্ক গঢ় লৈ উঠে। হাইস্কুলৰ ছাত্ৰী হৈ থকা অৱস্থাত মই নিবিড়ভাবে কাবাডী খেলত জড়িত হওঁ। পৰৱৰ্তী সময়ত এথলেটিক্‌চত অংশ গ্ৰহণ কৰি সুনাম কঢ়িয়াবলৈ সমৰ্থবান হওঁ। স্কুলৰ হকে বিভিন্ন স্কুল টুৰ্ণামেন্টত অংশগ্ৰহন কৰি সুখ্যাতি অনাবাবে পানীগাওঁৰে 'সমীৰণ গোষ্ঠী' নামৰ স্বেচ্ছাসেৱী সংগঠন এটাই মোক কাবাডী খেলৰ বাবে আমন্ত্ৰণ জনাইছিল। উল্লিখিত গোষ্ঠীৰ হৈ নলবাৰীৰ ক্লাৱ পৰ্যায়ত খেলাৰ বাবে অৰ্হতা অৰ্জন কৰো। তাত মোৰ খেলৰ পাৰদৰ্শিতা দেখি নলবাৰী জিলাৰ হৈ খেল খেলাৰ বাবে যোগ্যতা লাভ কৰো আৰু জিলাখনৰ হকে বহুবাৰ প্ৰতিনিধিত্ব কৰো। জিলা পৰ্যায়ত খেলাৰ লগতে মই অসম দলৰ হৈ ৰাজ্যিক পৰ্যায়ত তিনিবাৰ ত্ৰিপুৰা, কৰ্ণাটক আৰু মহাৰাষ্ট্ৰত খেলো। লগতে এথলেটিক্‌চত মই নলবাৰী জিলাৰ হৈ গোলাঘাটত 'মেডেল' অৰ্জনেৰে গৌৰৱান্বিত হওঁ। খেলৰ যোগেৰে মই অনাতাৰ কেন্দ্ৰত সাক্ষাৎকাৰ দিয়াৰ বাবে আমন্ত্ৰণি পত্ৰ পাওঁ।

মোৰ মানসপটত খেলৰ প্ৰতি অপৰিসীম আকৰ্ষন আছিল যদিও পিছৰ সময়ছোৱাত মোৰ মন ধাবিত হৈছিল সমাজ সেৱাৰ প্ৰতি। বিভিন্ন সভা সমিতিত বক্তা সকলৰ সাৱলীল মনৰ ভাৱ-ভাষনে মোক যথেষ্ট আপ্লুত কৰিছিল। তেওঁলোকৰ জ্ঞানগৰ্ভ ভাষণে মোক সমাজ সেৱাৰ প্ৰতি আকৰ্ষণ বঢ়াইছিল। গাওঁৰ যিকোনো সভা-সমিতিত আগভাগ লৈছিলো। আনৰ চাৰিজনৰ আৱেগ অনুভূতিৰ লগত একাত্মবোধে মোক মোহাচ্ছান্ন কৰিছিল। হতাশা আৰু দুখবোধ জৰ্জৰিত কৰা নাৰী সমাজৰ প্ৰতি সচেতন মহলৰ কৰণীয় বহুত বাকী আছে। সেয়েহে নাৰী সমাজৰ সৰ্ব্বাঙ্গীন বিকাশ অবিহনে সমাজ স্থবিৰতাত আক্ৰান্ত। মই মোৰ সীমাবদ্ধ জ্ঞান আৰু চিন্তাৰে মহিলা সমাজক একত্ৰিত কৰি, তেওঁলোকৰ মনৰ মাজত বিচৰণ কৰাৰ উদ্দেশ্যে সংগঠিত হওঁ।

মানৱ সেৱা মোৰ গভীৰতম আকাংখা আছিল যদিওঁ, মই ৰাজনৈতিক দলৰ হৈ কাম কৰাৰ বিশেষ স্পৃহা নাছিল। সময়ৰ পৰিবৰ্তেনে মোক লৈ গ'ল পঞ্চায়ত নিৰ্বাচনলৈ। পঞ্চায়ত নিৰ্বাচনৰ দিন ঘোষণাৰ পিছত, মোৰ শুভাকাঙ্খী সকলে নিৰ্বাচনত অংশগ্ৰহণ কৰাৰ বাবে প্ৰস্তাৱে আগবঢ়ালে। বিশেষ নভবাকৈ ৰাইজৰ লগত সুৰ মিলাই মনোনয়নপত্ৰ দাখিল কৰা সময়ত মোকো নিৰ্দ্দলীয় প্ৰাৰ্থী হিচাবে থিয় কৰাৰ প্ৰস্তাৱত সন্মতি প্ৰদান কৰিলোঁ। উল্লেখনীয় গৌৰৱৰ কথা হ'ল মোৰ মনোনয়ন পত্ৰ দাখিলৰ সকলো যা-যোগাৰ ৰাইজে আগভাগ লৈ সম্পাদন কৰিছিল। আলহীৰ ঘৰৰপৰা আহি মই জানিব পাৰিলো যে ২৭ নং পানীগাঁও গাঁও পঞ্চায়তৰ ১০নং খণ্ডৰ নিৰ্দলীয় প্ৰাৰ্থী হিচাবে প্ৰতিদণ্ডিতা কৰাৰ সামগ্ৰিক ব্যৱস্থা সম্পূৰ্ণ। প্ৰথম অৱস্থাত দ্বিধাবোধে মোক আচ্ছান্ন কৰিলেওঁ ৰাইজৰ হেপাহ আৰু আগ্ৰহে মোক টানিলৈ গৈছিল মনোনয়ন পত্ৰ দাখিল কৰিবলৈ। ১৯/১২/০৭ ইং তাৰিখে ৰাইজৰ লগত গৈ পশ্চিম নলবাৰী উন্নয়ণ খণ্ডত মনোনয়ন পত্ৰ দাখিল কৰো ০৯/০১/০৮ তাৰিখে সম্পন্ন হোৱা ভোটদানৰ ফলাফল ঘোষনা হয় ৩০/০১/০৮ ইং তাৰিখ গভীৰ প্ৰত্যাশাৰ অন্ত পেলাই ভগবানে মোলৈ জয়ৰ আনন্দ কঢ়িয়াই আনিলে। ০২/০৩/০৮ ইং তাৰিখে আনুষ্ঠানিকভাৱে শপত গ্ৰহণ কাৰ্য সম্পন্ন হৈছিল চামতা ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয় প্ৰাঙ্গনত। কাৰ্যভাৰ গ্ৰহনৰ পিছৰ পৰাই মই অভাৱগ্ৰস্থ তথা অৱহেলিত মানুহখিনিৰ মাজত সোমাই পৰো। ঘৰে ঘৰে গৈ তেওঁলোকৰ সমস্যাৰ লগত বিজড়িত হৈ পৰো আৰু লিখিত ভাবে সমস্যাসমূহ টুকি ৰখাৰ ব্যৱস্থা কৰো। বহুল সমস্যাৰে জৰ্জৰিত এই গ্ৰাম্যাঞ্চলৰ মানুহখিনিক কিবা এটা দিয়াৰ ইচ্ছাক বাস্তৱায়িত কৰাত মনোনিবেশ কৰিলোঁ। তেওঁলোকে আগৰ কাৰ্যকালত চৰকাৰৰ পৰা কি পাইছে এতিয়া কি পোৱা উচিত ইত্যাদি কথাবোৰ মনত ৰাখি বিভিন্ন চেষ্টাত ব্ৰতী হওঁ। মোৰ কাৰ্যকালত এলেকাৰ মানুহখিনিক অকনমান সহায়ৰ হাত আগবঢ়াব পাৰিলে ধন্য মানিব বুলি চেষ্টাত নিমগ্ন হ'লো। চৰকাৰে প্ৰদান কৰা বিভিন্ন আচনিৰ সুফল যাতে গ্ৰাম্যাঞ্চলৰ মানুখিনিয়ে লাভ কৰিব পাৰে তাৰ পৰিকল্পনা হাতত লৈছো। উক্ত পৰিকল্পনাত সামৰি লোৱা দিশবোৰ হ'ল— ৰাস্তাঘাট নিৰ্মাণ, খোৱাপানীৰ অভাব দূৰীকৰণৰ, বিজুলী যোগান, দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা মানুহৰ সাতটকীয়া কাৰ্ড, তিনিটকীয়া কাৰ্ড যোগান, ইন্দিৰা আবাস যোজনাৰ ঘৰ, শিপিনী সকলৰ বাবে তাতশাল, সূতা বিতৰণ, বৃদ্ধ সকলৰ বাবে বৃদ্ধ পেঞ্চন, মীন পালক সকলৰ বাবে মীন পালনৰ ব্যৱস্থা, কৃষক সকলৰ বাবে খেতিৰ সজুলি, সাৰ আৰু বীজ সঠিক ভাবে যোগান ধৰা, কুটীৰ শিল্পৰ বিকাশেৰে জীৱনধাৰণৰ মান উন্নত কৰা ইত্যাদি। পাৰিম জানো এইখিনি সহায়ৰ হাত আগবঢ়াব? মোৰ এই আশা ফলবতি যেন হয়, ভগৱানক তাকেই কামনা কৰিছোঁ। ■



# পঞ্চায়তলৈ কিদৰে আহিলো

—যোগমায়া তালুকদাৰ
৪৭(১) গা. প. সদস্যা বৰকুলহাটী

নিচেই সৰুৰে পৰা নহয়, ঠিক হাইস্কুলত পঢ়াৰ পৰাই মনত এটা ভাব হৈছিল। যেন সমাজৰ কিবা এটা সেৱা কৰিম, আৰু সাহসী হম। তেতিয়াই মই নৱম শ্ৰেণীৰ ছাত্ৰী। আৰু ছোৱালী জিৰণি কোঠা বিভাগৰ সম্পাদিকা আছিলোঁ।

চাৰ সকলে নৱাগত আদৰণি সভাত আমাক ধমকি দি হলেওঁ ভাষণ ৰাখিব দিয়ে বা শিকায় দিয়ে। দশম শ্ৰেণীৰ বিদায় সভাতো ভাষণ ৰাখিব দিয়ে।

তাৰ পিছত মই মৌৰা আঞ্চলীক মহিলা সমিতিত সদস্যা হিচাপে অংশ গ্ৰহণ কৰো। তাৰ পৰা বিনামুলীয়াকৈ নলবাৰী জিলা মহিলা সমিতিত মই কাটিং নিতিন আদি প্ৰশিক্ষণ লও আৰু গাৱৰ ৰাইজৰ মাজত অৰ্দাৰী কামবোৰ কৰো আৰু কিছুমানক শিখাই দিওঁ। এইদৰে সমাজৰ কামবোৰ কৰি সমাজৰ উপকাৰ সাধন কৰো। তাৰ পিছত মই S.S.B. ত প্ৰশিক্ষণ লৈ হাজোত ফায়াৰিং কৰো আৰু শেষত মই তেজপুৰ চালনী বাৰীত গৈ হায়াৰ ট্ৰেণীং কৰো। মোৰ সেই সময়ত যদি বিয়া নহলহেঁতেন হয়তো আজি চাকৰীৰ ভাত খাব পালোহেঁতেন।

বিয়া হৈওঁ লাজনকৰী বোৱাৰী অৱস্থাতে টিউচন কৰো, অৰ্দাৰী চুয়েটাৰ, এমব্ৰইদাৰী, শালৰ কাপোৰ আদি বওঁ। সেই সময়তে মোৰ কণমানী শিশু এটা দহমহীয়া। শিশুটো এৰি মই বৰমাত Adult Education, ট্ৰেনিং কৰো, আৰু ১৫ দিন ৰাতি থাকো শিবিৰত। এনেকৈ থাকোতে দুবছৰ পিছত মোৰ স্কুলৰে প্ৰধান শিক্ষক মহোদয়ে মোক মেট্ৰিক পৰীক্ষা দিবলৈ কলে, মোক হেনো পাছ কৰিলে চাকৰী দিব, তেখেত বৰ্ডৰ নমিনি।

চাৰৰ হেপাহতে পঢ়ি পাছ কৰিলো, বিয়াৰ আগতে পাছ কৰা নাছিলো। পাছ কৰাৰ পিছতে তেখেত হঠাৎ মুত্যুৰ মুখত পৰিল। আৰু মোৰো মনৰ আশা মনতে মৰহী গল।

তাৰ পিছতে মই নেহৰু যুবক কেন্দ্ৰত বিনামুলীয়াকৈ ফেব্ৰীক শিকি সেইবোৰো ৰাইজৰ মাজত প্ৰচাৰ কৰো। ঘৰৰো আৰ্থিক অৱস্থা বেয়া। জীৱনটো বহুতো সংগ্ৰামৰ মাজেৰে চলিব লগাত পৰিছো।

তেনেকুৱা সংগ্ৰামৰ মাজতো তিনিটা ল'ৰা ছোৱালী শিক্ষাত আগবঢ়াই নিছো আৰু তেতিয়াই মই মোৰ বান্ধৱী পাৰ্ব্বতী কাকতীৰ সহযোগত কংগ্ৰেছ দলত যোগ দি কংগ্ৰেছৰ হকে উঠি পৰি লাগো। এনেতে ১৯৯২ চনত প্ৰথম পঞ্চায়ত ব্যৱস্থা হ'ল আমাৰ গাওঁৰ আসনখন মহিলাৰ সংৰক্ষিত আসন। তেতিয়া মোৰ গাৱৰে মোক পঢ়ুৱা শিক্ষক মাননীয় শ্ৰীযুত ধৰ্মৰাম কলিতা দেৱে মোক খুৱ জুৰ জুলুমকৈ হলেওঁ মোক প্ৰতিদ্বন্দ্বিতা কৰিবলৈ উঠাই তেতিয়া গাৱৰ মানুহে পঞ্চায়ত সম্পৰ্কে বেছি গমেই নেপাই। ইফালে কোলাত মোৰ ৫ মহীয়া শিশু। শিশু এৰি ৰাইজৰ কামত উঠি পৰি লাগিলো।

তাৰে দ্বিতীয় পিৰদত মই পঞ্চায়ত নেখেলি মই মহিলা মণ্ডল কংগ্ৰেছৰ সভানেত্ৰী হৈ আজি পৰ্য্যন্ত আছো। আৰু সেই মৰ্মে বহুতো অনুস্থানত জড়িত থাকো। আনকি হাইস্কুল, এলপি স্কুল বিলাকতো মই পৰিচালনা সমিতিত অংশ গ্ৰহণ কৰো। বৰভাগৰ বেছি অংশই মোক জানে যে মই এজনী সমাজ সেবিকা।

এনেকৈ থাকি ২০০৮ চনত আকৌ পঞ্চায়ত নিৰ্ব্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ মোক কেইজনমান ৰাইজৰ মুখ্য ব্যক্তিয়ে জোৰ-জুলুমকৈ ৰাইজৰ মাজত থিয় কৰাইছে।

গান্ধীজীৰ আদৰ্শৰ পঞ্চায়তী ৰাজত এটা মহান উদ্দেশ্য জড়িত আছে। তাকেই সৰোগত কৰি বিশেষকৈ যি সকল দুখিয়া মানুহে তেখেত সকলৰ দুখ দুৰ্গতিৰ বুজ লবলৈ তেওঁলোকৰ ভবিষ্যত সহজে উন্নতি কৰিব পাৰিম বুলি এটা বিশ্বাস। সততাৰ ভাবেৰে কাম কৰা ইচ্ছা মোৰ আছে। ইয়াত কিমান ফলৱতী হব পাৰো সময়েহে কব। কিছুমান কাম পৰিস্থিতিৰ দাস হ'ব লাগে। যোৱা ১৯৯২ চনত মই যেতিয়া সদস্যা পদত অংশ গ্ৰহণ কৰো তেতিয়া নিৰ্ব্বাচন সম্পূৰ্ণ বেলেগ আছিল। আৰু ইমান টকাও নেলাগিছিল। নিৰ্ব্বাচনী প্ৰচাৰো ইমান বহল নাছিল। এইবাৰ কিন্তু সম্পূৰ্ণ বেলেগ। এইবাৰ টিকট লোৱাৰ পৰা আদিলৈ কেৱল টকাৰে দৰকাৰ। আগতে মোৰ মাত্ৰ ৫০০ টকা হৈছিল। সেয়েহে মহাত্মা গান্ধীক স্মৰণ কৰি কব খোজো যে আমাৰ দেশৰ জাতীয় চৰিত্ৰৰ অবনতি হোৱাৰ কাৰণে গান্ধীজীৰ সপোন দিঠকত পৰিণত নহ'ল। আজি দেশৰ দুৰ্নীতি, স্বাৰ্থপৰতা, দৰিদ্ৰতা, অশান্তি সংঘৰ্ষ আদি মানুহে অস্থিৰ কৰি তুলিছে। মহাত্মা গান্ধীৰ দৰে বিশিষ্ট, চিন্তা নায়কৰ পৰামৰ্শ মতে চলা হলে আজি দেশৰ এই দুৰ্দশা নহ'লহেঁতেন। শেষত মই মহিলাক সাৱলী কৰণ, দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা মানুহখিনিৰ বাবে ব্যক্তিগতভাৱে ইন্দিৰা আবাস যোজনাৰ ঘৰ, বৃদ্ধপেঞ্চন তিনিটকীয়া কাৰ্ড আদিবোৰ সফল ৰূপায়ন কৰি ৰাইজৰ নিৰপেক্ষতা ভূমিকা পঞ্চায়ত বিভাগেই পদ্ধতিতভাৱে আছনি ৰূপায়নৰ দায়িত্ব সঠিক ভাৱে পালন কৰিলে, আমি আমাৰ লক্ষ্যত উপনিত হ'ব পাৰিম বুলি আশা প্ৰকাশ কৰিলোঁ। ■

# নাৰীৰ স্থিতি

**শ্ৰীগীতিকা কলিতা,** গ্ৰাম্য বিকাশ মঞ্চ

"সৃষ্টিৰ অন্তৰালত যি মহাশক্তি আছে সেই শক্তিক যি ধাৰাই মাতৃৰূপে কল্পনা কৰে সেই নাৰী শক্তিক উপসনা কৰে সেই মতবাদেই হ'ল শক্তিবাদ। এই মতবাদৰ শক্তিয়ে মূল প্ৰকৃতি সৃষ্টিৰ আদ্য বুলি দৰা হয়।" **("দেৱী"-ড° নিৰ্মলপ্ৰভা বৰদলৈ)**

নাৰী হৈছে ভগৱানৰ পবিত্ৰ সৃষ্টি। ভগৱানৰ এই পবিত্ৰ সৃষ্টি কেৱল নাৰীৰ শাৰীৰিক সৌন্দৰ্য্যই নহয় নাৰী হৈছে সৃষ্টিৰ প্ৰতীক। নাৰী হৈছে মাতৃত্বৰ সৌন্দৰ্য্য। মাতৃত্বৰ মহানতাৰে অনুভৱ কেৱল নাৰীৰ মাজতহে আছে। মাতৃত্বৰ কৃতিত্বৰে মহিয়ান হোৱা বাবে আমাৰ সমাজতহে আছে। শক্তিৰ এক সুকীয়া স্থান আছে। নাৰীয়ে কেৱল মাতৃত্বকে গৌৰাবান্বিত কৰা নাই সমস্ত মানৱ জাতিকে গৌৰাবান্বিত কৰা দেখা যায়। নাৰীকলৈয়ে অতীজৰে পৰা বহুতো মহাকবি, গ্ৰন্থাকাৰে নাৰীৰ সুন্দৰ বৰ্ণনা দি থৈ গৈছে।

অতীজৰে পৰা বৰ্তমানলৈ বিভিন্ন সময়ত সমাজব্যৱস্থাত নাৰীৰ স্থিতি ভিন ভিন ধৰণেৰে নিৰূপন কৰি আহিছে। পৰাম্পৰাগত সমাজব্যৱস্থাই পুৰুষ আৰু মহিলাক সুকীয়া অস্তীত্বৰ কথা এই ক্ষেত্ৰত সমাজৰ আধ্য সংখ্যক লোকেই যিহেতু পুৰুষ এই পুৰুষ খিনিয়ে পুৰুষৰ মৰ্য্যদা আৰু মহিলাৰ মৰ্য্যদাৰ মাজত পৃথক আনিলে। মহিলাক ঘৰৰ ভিতৰতে সামাজিক বান্ধোনৰ মাজত থাকি কাম-কাজ কৰি যোৱাটো। এনেদৰে ক্ৰমান্বয়ে ঘৰৰ ভিতৰত নাৰী আৰু ঘৰৰ বাহিৰত পুৰুষে প্ৰভাৱ বিস্তাৰ কৰি এখন পুৰুষ তান্ত্ৰিক সমাজৰ সৃষ্টি কৰিলে। সমাজপতি হৈ পৰিল পুৰুষ সকল। নাৰীয়ে যিবোৰ কাম কৰিবলৈ আগুৱাই যায় বা পিচুৱাই যাই সকলোবোৰ হয় পুৰুষ সকলৰ পচন্দমতে মাতিলেই চৈধ্য পুৰুষ নৰকত পৰিব বুলি বিশ্বাস কৰি বহু দূৰতে থাকে। এইদৰে সমাজ ব্যস্থআত নাৰীৰ ওপৰত অন্ধহৈ অত্যাচাৰ আৰু অবিচাৰ ক্ৰমান্বয়ে বৃদ্ধি পায় গৈছে। সেয়ে পুৰুষ আৰু সমাজৰ হাতত বাৰে বাৰে লাঞ্চিত হোৱা বাবে বৰ্তমানে নাৰীসকলে নিজৰ অধিকাৰক লৈ ব্যস্ত হৈ পৰা দেখা যায় যদিও বহুক্ষেত্ৰত নাৰীক অত্যাচাৰ, শোষণ, নিৰ্যাতন কৰা ঘটনা দিনক দিনে বৃদ্ধি হৈ গৈ আছে। নাৰীৰ ওপৰত হোৱা অত্যাচাৰ বিশেষকৈ আমি পুৰুষ আৰু সমাজে নাৰীক শাৰীৰি আৰু মানসিক ভাৱে নিৰ্য্যাতম আৰু শোষন কৰাটোৰেই বুজা। নাৰীৰ বিৰুদ্ধে থকা অত্যাচাৰ বিশেষভাৱে লিংগভিত্তিক অত্যাচাৰ। এই অত্যাচাৰে নাৰীক শাৰীৰিক আৰু মানসিকভাৱে প্ৰভাৱ পেলোৱাৰ লগতে নাৰীক ব্যক্তিগত আৰু ৰাজহুৱা জীৱনত অশান্তিৰ সৃষ্টি কৰে। ইয়াৰ উপৰিও নাৰীৰ যিকোনো মানৱ অধিখাৰ ভংগ কৰা, নাৰীৰ প্ৰতি অপৰাধমূলক যিকোনো ধৰণৰ অপৰাধমূলক কাৰ্য্য, হত্যা, ধৰ্ষন, লিংগগতভাৱে বশকৰা, ভ্ৰূণহত্যা (কন্যাশিশু), যুদ্ধৰ সময়ত নাৰীৰ ওপৰত অত্যাচাৰ আদি নাৰীৰ বিৰুদ্ধে কৰা বৈষম্যমূলক অত্যাচাৰেই বিশেষভআৱে দেখা যায়।

নাৰীৰ প্ৰতি থকা শোষন, অত্যাচাৰ আৰু নিৰ্যাতন বৰ্ত্তমান সময়তে যে হৈছে তেনে নহয় ই মহাভাৰতৰ দ্ৰৌপদীৰ বস্ত্ৰ হৰণ, ৰামায়ণৰ সীতাদেৱীৰ অগ্নিপৰীক্ষাৰ কথাইও আমাক মনত পেলাই দিয়ে নাৰী নিৰ্যাতনৰ কথা। এই নিৰ্যাতন পুৰুষ আৰু মহিলাৰ মাজত ঐতিহাসিকভাৱে অসমতাপূৰ্ণ ক্ষমতাভিত্তিক সম্পৰ্কৰ এক প্ৰকাশ, যি পুৰুষৰ আধিপত্য বিস্তাৰ কৰি নাৰীৰ প্ৰতি বৈষম্যমূলক আচৰণে নাৰীক নিজৰ অধিকাৰ সাব্যস্ত তথা উপভোগ কৰাৰ পৰা বঞ্চিত কৰাৰ লগতে ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক আদি দিশৰ পৰাও বঞ্চিত কৰে। ইয়াৰ ফলস্বৰূপেই নাৰীসকলে বেছিভাগ ক্ষেত্ৰতে পিছ পৰি গৈছে। তেওঁলোকে নিজৰ অধিকাৰৰ বিষয়ে নাজানে, নিজৰ জীৱন সম্পৰ্কে ধাৰণা নাই কেৱল পুৰুষখিনিৰ পৰিচৰ্য্যা, পৰাম্পৰাগত ৰীতি-নীতিৰে ঘৰখন ৰক্ষণা-বেক্ষণ দিয়াটোৰেই যেন তেওঁলোকৰ জীৱনৰ মূলমন্ত্ৰ। এই ক্ষেত্ৰত পৰাম্পৰাগতভাৱে নাৰীক সাজ-পোচাকেৰে, আ-অলংকাৰেৰে বিভূষিতা কৰি পুৰুষ সমাজে নাৰীক নিজৰ দাসী কৰি লৈছে।

পৃথিৱীৰ সৃষ্টি যেনেকৈ ৰহস্যৰ প্ৰতীক তেনেকৈ "নাৰী" শব্দও ৰহস্য প্ৰতীক। নাৰীয়ে কৰিব নোৱাৰা কাম একো নাই। এগৰাকী সুগৃহীনী যেনেকৈ ঘৰখনত মূল্যবান ৰত্নৰদৰে কামকৰে তেনেকৈ যুদ্ধ ক্ষেত্ৰতো ভাল যোদ্ধা হোৱাৰ উদাহৰণ নোহোৱা নহয়। জাতিৰ পিতা মহামানৱ মহাত্মা গান্ধীয়ে কৈছিল—"যিখন সমাজত মহিলাই অংশ গ্ৰহণ কৰিব নোৱাৰে তেনেকুৱা স্বৰাজ মোক নালাগে।" বৰ্ত্তমান আমি স্বাধীন দেশৰ নাগৰিক। নিজৰ প্ৰতি আৰু সমাজখনৰ প্ৰতি কৰিব লগা কৰ্ম্ম আমাৰ বহু দায়িত্ব আছে। সেই যে এই ক্ষেত্ৰত প্ৰথম খোজ হব "পৰিয়াল" কিয়নো পৰিয়ালত যেতিয়ালৈকে এগৰাকী নাৰীয়ে সকলো আলোচনাত পুৰুষ সমানে ভাগলৈ নিজৰ মতামত মুকলিভাৱে ব্যক্ত কৰিব নোৱাৰে তেতিয়ালৈকে সমাজত নাৰীসকল উপেক্ষিত হৈয়ে ৰব বুলি ভাৱিবৰ অৱকাশ আছে। ■




# এগৰাকী সদস্যাৰ কথাৰে

**—মিনতি গোস্বামী**

কৈহাটী ২য় খণ্ড, ২৬ নং পশ্চিম ক্ষেঃ গাঁও পঞ্চায়ত

অতি দুখীয়া পৰিয়াল এটিৰ ছোৱালী মই। মোৰ দাদা শাৰীৰিক ভাৱে অক্ষম। এই অক্ষম ব্যক্তিজনে যেতিয়া এখন সাতটকীয়া কাৰ্ডৰ কাৰণে তিনিমাহ ধৰি সোৱা পঞ্চায়ত নিৰ্বাচনৰ সভাপতিৰ পিছে পিছে ঘূৰিয়ো কাৰ্ডখন নাপালে, তেতিয়াই মনতে থিৰাং কৰিছিলো এইবাৰৰ পঞ্চায়ত নিৰ্বাচনত যিকোনো পদ এটাৰ প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দিতা আগবঢ়াম। এফালে দৰিদ্ৰতা আনফালে মনৰ আখেজ পূৰণ। দুই নাৱত দুই ভৰি। তেনে সময়তে মোৰ ভাতৃপ্ৰতীম পৰাগ গোস্বামীয়ে উৎসাহ দিলে যে মই এইবাৰৰ পঞ্চায়ত নিৰ্বাচনত কৈহাটী ২য় খণ্ডৰ পৰা সদস্যা হিচাপে প্ৰতিদ্বন্দিতা কৰিব লাগে। এইখিনিতে উল্লেখ কৰি কোৱা ভাল হ'ব মই ২০০১ চনৰ পৰা কৈহাটী গাওঁৰ মহিলা আত্মা সহায়ক গোটৰ লগত ওতঃ প্ৰোত ভাৱে জড়িত থাকি গাওঁৰ দৰিদ্ৰ মহিলাখিনিক কৰ্মমুখী কৰি আৰ্থিকভাৱে স্বাৱলম্বী কৰি তোলাত আগভাগ লৈছিলো (অৱশ্যে এতিয়াও কৰি আছো)। কৈহাটী গাওঁ সভাৰ মহিলা সমাজৰ সম্পাদিকা পদত আছো আৰু গাওঁৰ ৰাজহুৱা অনুষ্ঠান, সভা-সমিতিত সদায় আগভাগ লৈ আহিছো। মোৰ এই কৰ্মমুখী প্ৰচেষ্টা আৰু মাহসীকতাত সন্তুষ্ট হৈ হৌটীৰ ৰাইজে পঞ্চায়ত নিৰ্বাচনৰ সদস্যাৰ পদত মোৰ নামটো প্ৰস্তাৱ কৰাত অ.গ.প. দলৰ ২৩নং পশ্চিম ক্ষেত্ৰীধৰ্মপুৰ আঞ্চলিকৰ পৰা মই সমৰ্থন লাভ কৰি ৰাইজৰ আশীৰ্বাদত মই পঞ্চায়ত নিৰ্বাচনত ২৩ নং পশ্চিম ক্ষেত্ৰীধৰ্মপুৰ গাওঁ পঞ্চায়তৰ সদস্যা হিচাপে নিৰ্বাচিত হ'লো। এই পাঁচ বছৰৰ ভিতৰত মই গাওঁৰ দুৰ্দশাগ্ৰস্ত মানুহ বিলাকক যিকোনো প্ৰকাৰে উন্নতি সাধন কৰিম বুলি সংকল্প লৈছো। মই যাতে সকলো কাম সৎ সাহস আৰু উদ্দেশ্যৰে কৰিব পাৰো আৰু ভৱিষ্যতৰ প্ৰতিটো খোজতে ৰাইজৰ সহায়-সহযোগিতা লাভ কৰো এয়াই মোৰ আন্তৰিক কামনা। এই ছেগতে "গ্ৰাম্য বিকাশ মঞ্চ"ৰ পৰা লাভ কৰা উদগনিমূলক দিহা-পৰামৰ্শক শলাগ নলৈ নোৱাৰিলো। ■



# শিশু আৰু অধিকাৰ

—হিতেশ্বৰ লহকৰ
গ্ৰাম্য বিকাশ মঞ্চ

জীয়াই থকাৰ কাৰণে প্ৰয়োজন হোৱা সা-সুবিধাবোৰক আমি আমাৰ অধিকাৰ বুলি ক'ব পাৰো। এই অধিকাৰ বা সা-সুবিধাবোৰ অবিহনে আমি জীয়াই থকা সম্ভৱ নহয়। সমাজত বাস কৰা প্ৰতিজন মানুহকে সংবিধানে সমান অধিকাৰ প্ৰদান কৰিছে। আমাৰ সমাজত জীয়াই থকা এক প্ৰধান শ্ৰেণী হ'ল শিশু। এই শিশু সকলক বাহিৰত থৈ আমি কোনো কথা চিন্তা কৰিব নোৱাৰো। আজিৰ শিশু ভৱিষ্যতৰ নাগৰিক। আজি বোকা পানীৰ লগত খেলি থকা এই শিশুবোৰে এদিন দেশৰ বোজা মূৰ পাতি ল'ব লাগিব। এই শিশুবোৰৰ ওপৰতে এখন দেশৰ ভৱিষ্যত নিৰ্ভৰ কৰিব। এই শিশুসকলক যদি আমি সুস্থ পথেৰে আগবঢ়াই নিব নোৱাৰো তেন্তে ভৱিষ্যত জীৱন আমাৰ বাবে হ'ব অতি ভয়াবহ। কিন্তু দুখৰ কথা এই শিশুবোৰ আজিও আমাৰ সমাজত অবহেলীত হৈ আহিছে। অসৎ অসাধু, দুষ্ট চক্ৰৰ হাতত আজিও বহু শিশু হত্যা ধৰ্ষণৰ বলি হৈ আহিছে।

ভাৰতীয় সংবিধানত বা কেন্দ্ৰীয় বিধানমণ্ডলে প্ৰণয়ন কৰা শিশুৰ আইনবোৰত শিশুৰ অধিকাৰ আৰু সুৰক্ষাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা সন্নিবিষ্ট কৰিলেও সেই অধিকাৰ সমূহ সম্পূৰ্ণৰূপে কাৰ্য্যকৰী হোৱা বুলি ক'ব পৰা নাযায়। এই অধিকাৰবোৰৰ বহুল প্ৰচাৰ আৰু কাৰ্য্যকৰী কৰাৰ প্ৰয়োজনীয়তা আছে তাৰ বাবে প্ৰয়োজন হ'ব প্ৰতিজন নাগৰিকৰ শিশু প্ৰেমৰ ধাৰণা, সুস্থ জনমত, সবল দৃষ্টিভংগী আৰু ত্যাগ।

**শিশুৰ অধিকাৰ আৰু আমাৰ সংবিধান ঃ**

■ অনুচ্ছেদ ১৫(৩) ঃ ভাৰতীয় সংবিধানৰ ১৫(৩) নং অনুচ্ছেদ অনুসৰি ৰাষ্ট্ৰই শিশু আৰু মহিলাৰ বাবে সুকীয়া আইন প্ৰণয়ন কৰিব পাৰে।

■ অনুচ্ছেদ ৩৯(ঙ) ঃ সংবিধানৰ ৩৯(৫) নং অনুচ্ছেদ অনুসৰি প্ৰতিজন শিশুৰে শোষণৰ বাহিৰত থাকি সুস্থ সবল মনৰে সমৃদ্ধি লাভৰ প্ৰয়োজনীয় সুবিধা লাভ কৰিব।

২০০২ চনত ভাৰতৰ সংবিধানৰ ৮৫ নং সংশোধন অনুসৰি অনুচ্ছেদ ২১(ক) সন্নিবিষ্ট কৰা হৈছে। উক্ত অনুচ্ছেদ অনুযায়ী ভাৰতৰ প্ৰতিজন শিশু (ছয় বছৰৰ ওপৰৰ পৰা চৈধ্য বছৰ বয়সৰ) ল'ৰা-ছোৱালী বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা গ্ৰহণ কৰিব পাৰিব।

■ **শোষণৰ বিৰুদ্ধে অধিকাৰ ঃ** সংবিধানৰ ২৩ নং অনুচ্ছেদ অনুসৰি মানৱ দেহৰ বেহা আৰু বাধ্যতামূলক শ্ৰম নিষিদ্ধ কৰিছে। উক্ত অনুচ্ছেদ অনুসৰি কোনো লোকে শিশু বা অন্য লোকক শোষণ কৰি শ্ৰম কৰাব বাধ্য কৰাব নোৱাৰে।

■ **উদ্যোগ ক'ল কাৰখানাত শিশু শ্ৰমিক নিসিদ্ধঃ** সংবিধানৰ ২৪ নং অনুচ্ছেদ অনুসৰি কোনো লোকে ১৪ বছৰ বয়সৰ ল'ৰা-ছোৱালীক ক'লকাৰখানা কয়লাখনি বা বিপদজনক কামত ব্যৱহাৰ কৰিব নোৱাৰে।

■ **আন্তৰ্জাতিক দৃষ্টিভংগী আৰু শিশুৰ অধিকাৰঃ** শিশুসকলৰ অধিকাৰ আৰু ন্যায় বিচাৰৰ প্ৰতি লক্ষ্যৰাখি ১৯৫০ চনত প্ৰণয়ন কৰা হৈছিল শিশু আইন ১৯৬০, এই আইনৰ মুলতে আছিল 'United Nations Declaration of the Rights of child in 1959'. ১১৩ খন ৰাষ্ট্ৰই সৰ্বসন্মতি ক্ৰমে মিলিত হৈছিল 'United Nations Declaration of the Rights of child in 1959'ত য'ত শিশুৰ অধিকাৰ আৰু কন্যা শিশুৰ অধিকাৰৰ ওপৰত সৰ্বসন্মত গুৰুত্ব আৰোপ কৰা হৈছিল। এই সন্মিলনতে প্ৰতিখন ৰাষ্ট্ৰই নিজৰ দেশৰ বাবে 'শিশু আইন' প্ৰণয়ন কৰিব বুলি প্ৰতিশ্ৰুতিবদ্ধ হৈছিল। আৰু অৱশেষত কেন্দ্ৰীয় বিধানমণ্ডলে ১৯৬০ চনত 'শিশু আইন ১৯৫০' প্ৰণয়ন কৰে। এই আইনখনে অৱশেষত Juvenile Justice Act 1982 লৈ ৰূপান্তৰিত হয়।

**শিশুৰ অপৰাধ প্ৰৱণতা আৰু আমাৰ কৰণীয়তাঃ**

বৰ্তমান সময়ত বাঢ়ি অহা শিশুৰ অপৰাধ প্ৰৱণতাই সমগ্ৰ বিশ্বকে চিন্তিত কৰি আহিছে। যি সময়ত আমি শিশুৰ অধিকাৰবোৰৰ কথা কৈ আহিছো, শিশুৰ অধিকাৰৰ বাবে প্ৰতিবাদ কৰি আহিছো সেই সময়তে দ্ৰুত গতিত বাঢ়ি আহিছে এই তাপৰাধ প্ৰৱণতা? ইয়াৰ বাবে দায়ী কোন? ভালদৰে দৃষ্টি নিক্ষেপ কৰিলে তলত দিয়া কাৰণবোৰ ওলাই পৰে।

■ উদ্যোগ, কলকাৰখানা আৰু অৰ্থনৈতিক সমৃদ্ধিৰ লগে লগে বাঢ়ি আহিছে নগৰীকৰণ প্ৰক্ৰিয়া যিয়ে সৃষ্টি কৰিছে বহুতো সমস্যা এই সমস্যাবোৰ হ'ল Slum dwelling, over crowding, অভিভাৱকৰ অনিয়ন্ত্ৰণ, পৰিয়াল বিভাজনতা ইত্যাদি। নগৰ অঞ্চলত দেখা দিয়া উচ্চ খৰচৰ বাবে পৰিয়ালৰ পিতৃ-মাতৃয়ে উভয়ে কৰ্মসংস্থান বাচি ল'বলৈ বাধ্য হয়। ইয়াৰ লগতে আৰম্ভ হয় তেওঁলোকৰ নিজৰ শিশু সন্তানৰ ওপৰত থকা নিয়ন্ত্ৰণৰ শিঠিলতা, অবহেলীত হয় প্ৰতিজন শিশু আৰু অবশেষত অবাধ্য হৈ পৰে পিতৃ-মাতৃ আৰু সমাজৰ।

■ ভাগি পৰা পৰিয়াল ব্যৱস্থা আৰু অভিভাৱকসকলৰ শিঠিল আৰু অমাবৰ্ধান নিয়ন্ত্ৰণ শিশু অপৰাধৰ এক অন্য কাৰক।

■ অনিয়ন্ত্ৰিত ভাবে বাঢ়ি অহা বিবাহ বিচ্ছেদ আৰু পৰিয়ালৰ মাজত থকা হাই-কাজিয়া শিশু অপৰাধৰ এক মুখ্য কাৰণ। মাহিমাকৰ দ্বাৰা হোৱা অত্যাচাৰ আৰু মানসিক শাস্তিয়ে শিশুৰ মনস্তাত্বিক দিশৰ ওপৰত প্ৰচুৰ পৰিমাণে প্ৰভাৱ পেলায়। এবাৰ কোনো শিশুৱে অবহেলীত বুলি গণ্য কৰিলে যি বিপথে পৰিচালিত হোৱাৰ সম্ভাৱনা বেছি হয়। সেয়েহে প্ৰতিজন শিশুৰ ওপৰত মাক-দেউতাকৰ মৰম, স্নেহ আৰু সুস্থ পৰিচালনাই বহুতো প্ৰভাৱ পেলাই।

■ বৰ্তমান সময়ত বাঢ়ি অহা জীৱন ধাৰণৰ দ্ৰুত পৰিবৰ্তনে শিশুসকলক ব্যতিবস্ত কৰি তোলে। জীৱন ধাৰণৰ এই দ্ৰুত পৰিবৰ্তনত শিশুসকলে নিজকে খাপখুৱাই ল'বলৈ অসুবিধাৰ সন্মুখীন হয়। তেওঁলোকে কোনটো শুদ্ধ আৰু কোনটো অশুদ্ধ বাচি উলিয়াবলৈ টান পায় আৰু অবশেষত অপৰাধৰ ক্ষেত্ৰত ভৰি দিয়ে।

■ জৈৱিক কাৰক (Biological factor)ৰ বাবে শিশুৰ অপৰাধ প্ৰৱণতা দ্ৰুত গতিত বৃদ্ধি হৈ আহিছে। বৰ্তমান ভাৰতবৰ্ষত ছোৱালীয়ে প্ৰায় বাৰ বছৰ বয়সৰ পৰা চৈধ্য বছৰ বয়সৰ ভিতৰত Puberty লাভ কৰে। কিন্তু এইখিনি সময়ত তেওঁলোকে জীৱনৰ সত্য উপলব্ধি কৰিবলৈ অসামৰ্থ হয়। আৰু ইয়াৰ ফলতে তেওঁলোকে যৌন সংক্ৰান্তিয় অপৰাধত লিপ্ত হৈ পৰে। সেয়েহে মাক-দেউতাক বা অন্য অভিভাৱকে তেওঁলোকৰ শিশু সন্তানক বা কন্যা শিশুক যৌন সংগমৰ পৰা হ'ব পৰা সাম্ভাব্য বিপদৰ বিষয়ে আগতীয়াকৈ অবগত কৰি প্ৰচুৰ জ্ঞান প্ৰদান কৰিব লাগে। বৰ্তমান সময়ত বাঢ়ি অহা বেশ্যা বৃত্তিৰ ই এটা প্ৰধান কাৰণ।

■ নগৰৰ বস্তি অঞ্চললৈ অভাৱগ্ৰস্ত শিশুৰ প্ৰৱজনে অসামাজিক কামত শিশুক লিপ্ত কৰাত সহায় কৰে। আৰু অৱশেষত তেওঁলোকে বেশ্যা বৃত্তি, নিচাযুক্ত দ্ৰব্যৰ চোৰাং বেহা আদি কামত লিপ্ত হৈ পৰে।

■ দৰিদ্ৰতা (Poverty) শিশু অপৰাধৰ এক মুখ্য কাৰণ। অভিভাৱকে শিশুক প্ৰয়োজনীয় খাদ্য, পোচাক বা যাবতীয় আহিলা আদি দিব নোৱাৰা বাবে আজিও বহু শিশুই ঘৰ এৰি ওলাই যাব লগা হৈছে।

■ ইয়াৰ উপৰিও শিক্ষাৰ অভাৱ, শিশু শ্ৰমিক ইত্যাদিও শিশু তাপৰাধৰ বাবে দায়ী বুলি ক'ব পৰা যায়।

সমাজত বাস কৰা আত্মকেন্দ্ৰীক, স্বাৰ্থপৰ লোকসকলো প্ৰতিজন মানুহে তেওঁলোকৰ নিজৰ ল'ৰা-ছোৱালীৰ লগতে দুখীয়া নীচ পৰিয়ালৰ ল'ৰা-ছোৱালীকো সমানে গুৰুত্ব দিব লাগে। কাৰণ সেইসকল ল'ৰা-ছোৱালীও সমাজৰ এক প্ৰধান অংগ। সেই অবহেলী, দলিত শ্ৰেণীৰ শিশুসকলক বাদ দি আমি একো উন্নতিৰ চিন্তা কৰিব নোৱাৰো।■



# গ্ৰাম্য বিকাশ মঞ্চৰ উদ্যোগত হাংগাৰ প্ৰজেক্টৰ অধীনত নতুন দিল্লীৰ ভ্ৰমণৰ অভিজ্ঞতা

—বিজুলী তালুকদাৰ
সভানেত্ৰী,
৪৮(২) নং উপৰ বৰভাগ গাঁও পঞ্চায়ত।

'গ্ৰাম্য বিকাশ মঞ্চ' নলবাৰী জিলাৰ এটা স্বেচ্ছাসেৱী অনুষ্ঠান। অনুষ্ঠানটোৱে বৰভাগ অঞ্চলত দুৰ্যোগ প্ৰশমণৰ ওপৰত জনসাধাৰণক সজাগ কৰাৰ লগতে দৰিদ্ৰ জনসাধাৰণক থাকিবলৈ ঘৰ, দমকল, থেলা, বস্ত্ৰ সামূহিক আশ্ৰয় স্থলী নিৰ্মাণ কৰি দি ৰাইজৰ মহৎ উপকাৰ সাধিছে। শেহতীয়া ভাবে হাংগাৰ প্ৰজেক্টৰ অধীনত বিভিন্ন কৰ্মশালা প্ৰশিক্ষণ অনুষ্ঠিত কৰে আৰু আমিও তাত অংশ গ্ৰহণ কৰাৰ সুযোগ লাভ কৰো। প্ৰজেক্টটোৰ যোগেদি বিভিন্ন অভিজ্ঞতা লাভ কৰিবলৈ সক্ষম হও। যোৱা ২০০৮ বৰ্ষৰ ২৮ ছেপ্তেম্বৰত আমি নৰ্থ ইষ্ট এক্সপ্ৰেছ ৰেল যোগে নতুন দিল্লীলৈ ৰাওনা হও। মোৰ সহযাত্ৰী আছিল শোণিতপুৰ জিলাৰ ছয়দুবাৰ ব্লকৰ সুনীতা ৰাজপুত, যোৰহাটৰ চেলেনঘাট পঞ্চায়ত সদস্যা ৰেণু বেদিয়া। আনহাতে অৰুণাচল, বিহাৰ, গুজৰাট, জন্মু, কাশ্মীৰ, ৰাজস্থান, তামিলনাডু, মহাৰাষ্ট্ৰ, মধ্যপ্ৰদেশ, কৰ্ণাটক উত্তৰাখণ্ড আদিৰ পৰা প্ৰায় ডেৰকুৰি মহিলাই উক্ত প্ৰজেক্টৰ জৰিয়তে অংশ গ্ৰহণ কৰি নতুন দিল্লীৰ বিভিন্ন কল্যাণমূলক অনুষ্ঠানত অংশ গ্ৰহণ কৰো। আমি ৩০ ছেপ্তেম্বৰ নিশা ১০-৩০ বজাত নতুন দিল্লীত পদাৰ্পণ কৰো আৰু তাৰ পৰা পোনে পোনে চানক্যপুৰীত অতিথিশালাত জিৰণী লও। পাছদিনা ১ অক্টোবৰত ৰাতিপুৰা ১০ বজাত চানক্যপুৰীত হাংগাৰ প্ৰজেক্টৰ ওপৰত বিস্তৃত আলোচনা কৰা হয়। লগতে ৰাজ্যসমূহৰ সমস্যাৰ লগতে ইয়াৰ সমাধানৰ উপায় কৌশলত ওপৰত বিভিন্ন জনে বক্তব্য আগবঢ়াই। এই আলোচনা ২ বজালৈ অনুষ্ঠিত হয়। আলোচনাৰ প্ৰাৰম্ভিকতে উপস্থিত হোৱা বিভিন্ন ৰাজ্যৰ সদস্যসকলে নিজৰ নিজৰ পৰিচয় দাঙি ধৰে। ২-৩০ বজাত ভাৰতীয় জাতীয় কংগ্ৰেছৰ সভানেত্ৰী মাননীয় শ্ৰীমতী ছোনিয়া গান্ধীৰ ১০ জন পথ বাসগৃহত তেওঁৰ সৈতে চিনাকি হোৱাৰ লগতে ৰাজ্যৰ সমস্যা সমূহৰ ওপৰত বিভিন্ন আলোচনাত মিলিত হৈ পুনৰ উভতি আহো চানক্যপুৰীত অতিথি শাললৈ আৰু পিছদিনাৰ অনুষ্ঠানৰ ওপৰত আমাৰ আখৰা অনুষ্ঠিত হয়। ২ অক্টোবৰ গান্ধী জয়ন্তীৰ দিনা ১১-৩০ বজাত নতুন দিল্লীত লোধীৰোড স্থিত Stein auditorium, Indian Habiat centerত অনুষ্ঠিত হোৱা অষ্টম সৰোজনী নাইডু বঁটা প্ৰদান অনুষ্ঠানত অংশ গ্ৰহণ কৰো। উক্ত অনুষ্ঠানটোত সৌষ্টৱ বঢ়ায় তদানীন্তন কেন্দ্ৰীয় বিত্ত মন্ত্ৰী বৰ্তমানৰ গৃহমন্ত্ৰী শ্ৰীযুত পি. চিদাম্বৰম, কেন্দ্ৰীয় বাণিজ্যিক মন্ত্ৰী শ্ৰীযুত জয়ৰাম ৰমেশ, জোহল চাইগল আৰু ভাৰতীয় চলচিত্ৰ অভিনেত্ৰী ৰেৱতী। উক্ত অনুষ্ঠানৰ সমাপনৰ পিছত নতুন দিল্লীৰ বিভিন্ন ঐতিহ্যমণ্ডিত ঠাই পৰিদৰ্শন কৰি অভিজ্ঞতা লাভ কৰো। পাছদিনা অৰ্থাৎ ৩ অক্টোবৰ পুৱা ১১ বজাত Hunger Project ৰ ওপৰত আলোচনা চক্ৰৰ অংশ গ্ৰহণ কৰো। উক্ত আলোচনা চক্ৰত দেশৰ বিভিন্নজন বক্তাই সাৰুৱা ভাষণ প্ৰদান কৰে। মোৰ জীৱনত এই প্ৰজেক্টৰ জৰিয়তে লাভ কৰা ভ্ৰমণ আৰু অভিজ্ঞতাই নিজৰ লগতে আনকো উপকৃত কৰিব পাৰিম বুলি মোৰ দৃঢ় বিশ্বাস। ভৱিষ্যতেও এনেধৰণৰ প্ৰজেক্টৰ জৰিয়তে মানৱসেৱা কৰিবলৈ সুযোগ সুবিধা পালে আনন্দিত হম। এই ক্ষেত্ৰত গ্ৰাম্য বিকাশ মঞ্চলৈ ধন্যবাদৰ শৰাই যাচিলোঁ। উক্ত নিশা ৰাজধানী এক্সপ্ৰেছ যোগে গৃহাভিমুখে আহি ৪ অক্টোবৰ ঘৰ আহি পাও।

আমি আশা ৰাখিছো গ্ৰাম্য বিকাশ মঞ্চই এনেধৰণৰ দৃষ্টান্তমূলক আঁচনি গ্ৰহণ কৰি দৰিদ্ৰ জনসাধাৰণলৈ আশাৰ সঞ্চাৰ আনে। 'গ্ৰাম্য বিকাশ মঞ্চ' অধিক গতিশীলতাৰ কামনাৰে...■

## পঞ্চায়ত, জনসেৱা, জীৱিকা ইত্যাদি.....

জনগণৰ সহযোগত জনগণৰ ধনেৰে জনগণৰ উন্নয়নৰ বাবে পঞ্চায়ত ব্যৱস্থা যে এক শক্তিশালী ব্যৱস্থা ইয়াত অকণো সন্দেহ নাই। সীমিত সম্পদ স্বত্বেও সুপৰিকল্পনাৰে একোটা পঞ্চায়ত এলেকাৰ উন্নয়ন পঞ্চায়ত ব্যৱস্থাৰে সম্ভৱ, যদিহে ই প্ৰকৃতাৰ্থত ভূমিকা পালন কৰিবলৈ সক্ষম হয়। ইয়াৰ বাবে প্ৰাথমিক চৰ্ত্ত নিশ্চিত ভাবে সুদক্ষ নেতৃত্ব আৰু উপযুক্ত পদ্ধতি। কিন্তু পৰিতাপৰ বিষয়টো হ'ল 'কুৰাজনীতিকৰণ' প্ৰক্ৰিয়াৰে পঞ্চায়তৰ, নেতৃত্ব আৰু পদ্ধতি থৰক-বৰক হৈ পৰিছে। বেছিভাগ ক্ষেত্ৰতে এইটো দেখা গৈছে যে পঞ্চায়তত প্ৰতিদ্বন্দ্বিতা কৰা বা প্ৰতিদ্বন্দ্বিতা কৰি জয়যুক্ত হৈ সদস্য/ সদস্যা হোৱা বা বিষয়বাব লোৱা জনপ্ৰতিনিধিসকলে 'জনসেৱা' বিষয়টো পাহৰি নিজৰ লাভাংশ আদায়ৰ প্ৰচেষ্টাতহে ব্ৰতী হয়। সহজ অৰ্থত ক'বলৈ গ'লে পঞ্চায়তৰ 'পদবী'টো একপ্ৰকাৰ 'পাঁচবছৰীয়া চাকৰি' হিচাপে লোৱা পৰিলক্ষিত হয়। নিৰ্বাচনত খৰচ হৈছে, খৰচবোৰ উঠাব লাগিব, নিজৰ পৰিয়ালৰ ভৰণ-পোষণৰ খৰচ উলিয়াব লাগিব.... ইত্যাদি ইত্যাদি মানসিকতা খুটি উঠে তেনে জনপ্ৰতিনিধিৰ আচৰণ বা কাৰ্য্যকলাপত। যাৰ ফলত ৰাইজৰ ভোটেৰে নিৰ্বাচিত তেনে প্ৰতিনিধি সকলে পঞ্চায়তৰ আদৰ্শ তথা নীতি-নিয়ম ভৰিৰে মোহাৰি পঞ্চায়তক দুৰ্নীতিৰ একোখন মঞ্চ হিচাপে প্ৰতিষ্ঠা কৰে। দুৰ্বল, নিশকটীয়া মানুহখিনিয়ে একো প্ৰতিবাদ কৰিব নোৱাৰে, কাৰণ প্ৰতিবাদ কৰিলে বঞ্চিত হ'ব নিজৰ অধিকাৰৰ পৰা,.. নিৰৱে দুৰ্নীতিকে মানি ল'ব লগা হয়, ...অধিকাৰ প্ৰাপ্যৰ বাবে সাচতীয়া সম্পদ হেৰুৱাব লগা হয়, .... এটা পাবলৈ এটা হেৰুৱাব লগা হয়। অথচ তেনে অৱস্থাৰ পৰিবৰ্তনৰ (ভুৱা) প্ৰতিশ্ৰুতি দিয়েই বেছিভাগে। নিৰ্বাচনত জয়ী হয়। অৱশেষত ৰাইজে জানিবলৈ বাধ্য হয়, নীৰৱে মানি ল'ব লগা হয়... লংকাক যিয়ে যায় সিয়ে ৰাৱন হয়... এনেধৰণৰ পৰম্পৰা এটা ক্ৰমাৎ শক্তিশালী ৰূপত পঞ্চায়তব্যৱস্থাত সোমাই পৰিছে। পঞ্চায়তৰ পদৱী (সদস্য / সদস্যা, সভাপতি / সভানেত্ৰী যিয়েই নহওক)টো জীৱিকা আহৰণৰ এক উপায় হিচাপে লবলৈ আহৰণৰ এক উপায় হিচাপে লবলৈ আৰম্ভ কৰিছে বহুতে, যিটো গান্ধীজীৰ সপোনৰ ওপৰত এক চৰম কুঠাৰাঘাত, সপোনক বাস্তৱায়িত কৰাত এক প্ৰচণ্ড হেঙাৰ হিচাপে দেখা গৈছে।

এনে পৰিস্থিতিৰ সলনি কৰিবলৈ আমাৰ মাজত সুদক্ষ নেতৃত্বৰ প্ৰয়োজন হৈছে, যিয়ে স্থিতাৱস্থাৰ সলনি কৰিব পাৰে, ধনাত্মক উত্তৰণৰ বাবে পৰিবেশ সৃষ্টি কৰিব পাৰে, সমাজৰ দুৰ্বলতম মানুহখিনিৰ হৃদয়ৰ ভাষা উপলব্ধি কৰিব পাৰে, যিয়ে জীৱন, জীৱিকা, জনসেৱা ইত্যাদি বিষয় ভালদৰে বুজি পাই,.. ইত্যাদি। আমাৰ নীতি নিৰ্দ্ধাৰক সকলেই এই ক্ষেত্ৰত আগভাগ ল'ব লাগিব আৰু এনে পৰিস্থিতি নীতি নিৰ্দ্ধাৰক সকলে বাস্তৱ আৰু সময়োপযোগী নীতি প্ৰস্তুতত ব্যৰ্থ হোৱা বাবেই যে হৈছে সেইটোও ৰাইজে ভালদৰে বুজিব লাগিব, বা বিপৰীত ভাবে আমি মানি ল'ব লাগিব নীতি নিৰ্দ্ধাৰক সকলৰ প্ৰত্যক্ষ বা পৰোক্ষ সহযোগতহে এনে পৰিস্থিতিৰ সৃষ্টি হৈছে। আমি এইখিনিতে এইটোও উল্লেখ কৰিছো যে সংখ্যাত কম হ'লেও প্ৰকৃতাৰ্থত পঞ্চায়ত ব্যৱস্থাৰে জনসেৱা কৰা জনপ্ৰতিনিধিও একাংশ এতিয়াও আছে। আমি তেনে প্ৰতিনিধিক উৎসাহিত কৰাৰ বাবে আৰু বাকীসকলৰ কাৰ্যপন্থাক নিৰুৎসাহিত কৰাৰবাবে সকলোৰে সংঘবদ্ধ ভাবে আগবাঢ়ি লাগিব, অন্যথা জনসেৱাৰ বিষয়টো পঞ্চায়তৰ পৰা হেৰাই যাব, পঞ্চায়তৰ জৰিয়তে জীৱিকা শক্তিশালী কৰাৰ প্ৰতিযোগিতা অধিক বৃদ্ধি হ'ব, আৰু...... । বাকীখিনি সকলোৱে বুজি পাবই। আহক, সময় থাকোতেই আমি পৰিস্থিতি সলনিৰ বাবে সংঘবদ্ধ ভাৱে আগবাঢ়ো তাৰেই কামনাৰে......

—**পৃথিভূষণ ডেকা**, সভাপতি, গ্ৰাম্য বিকাশ মঞ্চ

# ক্লিক... ক্লিক...












## মৰমী বাইদেউৰ পণ

### গাঁওসভা পাতিম, ৰাইজৰ সমস্যা বুজিম



## অ' আমাৰ গাঁও

"দ্যা হাঙ্গাৰ প্ৰজেক্ট"ৰ সৌজন্যত গ্ৰাম্য বিকাশ মঞ্চৰ দ্বাৰা ৰূপায়িত 'পঞ্চায়তৰ নিৰ্বাচিত মহিলা প্ৰতিনিধিসকলৰ সৱলীকৰণ প্ৰকল্প'ৰ অন্তৰ্গত হিচাপে প্ৰকাশিত এখনি বাৰ্তালোচনী। পঞ্চায়তীৰাজ ব্যৱস্থাত মহিলা প্ৰতিনিধি সকলৰ অংশগ্ৰহণ সক্ৰিয় আৰু ফলদায়ক কৰা তেওঁলোকৰ জ্ঞান দৃষ্টিভংগী আৰু কাৰ্য্যপদ্ধতি সলনি কৰি সমাজৰ সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াৰ লগত মহিলাসকলক জড়িত কৰি এক শান্তিপূৰ্ণ সমৃদ্ধিশালী আৰু শোষণমুক্ত সমাজ গঢ়াই ইয়াৰ লক্ষ্য। অ' আমাৰ গাঁওলৈ সমাজৰ প্ৰতিজন বঞ্চিত, শোষিত ব্যক্তিয়ে লিখনী পঠাব পাৰে। আপোনাৰ লিখনী মুখ্য কাৰ্য্যালয়- গ্ৰাম্য বিকাশ মঞ্চ, ১নং বৰধনৰা, ডাক- দক্ষিণগাঁও, পিন- ৭৮১৩৫০, জিলা- নলবাৰী (অসম)ত পঠাব পাৰে। ই-মেইল ঃgvm_ngosify.com., ফোন নং-০৩৬২৪-২৮৩৭৪০, ৯৮৬৪০-৩৭১০৫, ৯৮৬৪৯-৩৭৬১৩

## সম্পাদনা সমিতি


| | |
|---|---|
| সম্পাদনা উপদেষ্টা | ঃ শ্ৰীযুত ধনেশ্বৰ বৈশ্য, প্ৰৱক্তা, বৰভাগ মহাবিদ্যালয়। শ্ৰীযুত সুশান্ত কাশ্যপ, প্ৰৱক্তা, বৰভাগ মহাবিদ্যালয়। শ্ৰীযুত নয়নজ্যোতি ভূঞা, কাৰ্য্যনিৰ্বাহক সদস্য, গ্ৰাম্য বিকাশ মঞ্চ। |
| মুখ্য সম্পাদক | ঃ পৃথ্বিভূষণ ডেকা |
| কাৰ্য্যবাহী সম্পাদক | ঃ প্ৰদীপ মহন্ত |
| সদস্যা / সদস্য | ঃ গীতিকা কলিতা, শেৱালী ডেকা, সীমা তালুকদাৰ, সুভাষ দাস, হিতেশ্বৰ লহকৰ |
| বিশেষ কৃতজ্ঞতা | ঃ শ্ৰীযুতা ভাস্বতী দাস, শ্ৰীযুতা ৰিমী টাডু কমলেশ্বৰ ভূঞা, দিবাকৰ ডেকা, প্ৰাঞ্জল চক্ৰৱৰ্ত্তী, জীৱন কলিতা, অৰূপজ্যোতি দাস, চন্দন চক্ৰৱৰ্ত্তী, অঞ্জনজ্যোতি গোস্বামী, পংকজ শৰ্মাৰ লগতে সমূহ স্বেচ্ছাসেৱক/স্বেচ্ছাসেৱীকা গ্ৰাম্য বিকাশ মঞ্চ |

"Oh Amar Gaon" (1st year Vol.-II) a quarterly news letter, Published by 'Development Communication Cell' of Gramya Vikash Mancha, Supported by The Hunger Project, India, New Delhi.

গ্ৰাম্য বিকাশ মঞ্চৰ ডেভেলপমেণ্ট কমিউনিকেশ্যন চেলৰ দ্বাৰা "দ্যা হাঙ্গাৰ প্ৰজেক্ট"ৰ সৌজন্যত গ্ৰাম্য বিকাশ মঞ্চৰ উদ্যোগত ৰূপায়িত 'পঞ্চায়তৰ নিৰ্বাচিত মহিলা প্ৰতিনিধিসকলৰ সৱলীকৰণ প্ৰকল্প'ৰ দ্বাৰা প্ৰকাশিত।